## খ্ৰীষ্টত এক, মিছনত একত্ৰিত

প্ৰিয় ভাতৃ - ভগ্নীসকল

সন্তপিতা একাদশ পিয়ুচে স্থাপন কৰা বিশ্ব মিছন দিৱসৰ শতবাৰ্ষিকী 2026 উপলক্ষে মই বাছি লৈছোঁ ধৰ্ম মণ্ডলীৰ অতি প্ৰিয় বিষয়বস্তু "খ্ৰীষ্টত এক, মিছনত একত্ৰিত"। জয়ন্তী বৰ্ষৰ পিছত মই গোটেই মণ্ডলীক পৱিত্ৰ আত্মাত আনন্দ আৰু উদ্যমেৰে ধৰ্ম প্ৰচাৰৰ যাত্ৰা অব্যাহত ৰাখিবলৈ উৎসাহিত কৰিব বিচাৰোঁ। ইয়াৰ বাবে আমাৰ প্ৰয়োজন আছে খ্ৰীষ্টত একত্ৰিত হৃদয়, মিলনশীল সম্প্ৰদায় আৰু সকলোৰে মাজত উদাৰতা আৰু আস্থাৰ সহযোগিতা।

খ্ৰীষ্টত এক হৈ আৰু ধৰ্মপ্ৰচাৰ কামত একত্ৰিত হোৱাৰ বিষয়ে চিন্তা কৰাৰ সময়ত আহক আমি দণ্ডৰত হৈ ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰা পৰিচালিত আৰু অনুপ্ৰাণিত হবলৈ দিওঁ যাতে আমাৰ অন্তৰতে ধৰ্ম প্ৰচাৰৰ জুই নৱীকৃত হয় আৰু যাতে আমি সকলোৱে একেলগে ধৰ্মপ্ৰচাৰৰ কামত আগবাঢ়ি গৈ ধৰ্ম মণ্ডলীৰ কামত অগ্ৰগতি কৰোঁ। (ভাষণ, ধৰ্ম প্ৰচাৰক আৰু প্ৰবাসীৰ জয়ন্তী - 5 October 2025)

### 1) ধৰ্ম প্ৰচাৰৰ সেৱক সকল খ্ৰীষ্টৰ লগত আৰু আমাৰ ভাতৃ - ভগ্নীসকলৰ সৈতে একত্ৰিত হওঁ।

খ্ৰীষ্টৰ সৈতে একত্ৰীকৰণৰ ৰহস্য ধৰ্ম কামৰ মূলতে নিহিত হৈ আছে। তেওঁৰ যন্ত্ৰণাৰ আগতে যীচুৱে পিতৃক প্ৰাৰ্থনা কৰিছিল "যেন তেওঁলোক সকলো এক হয়, হে পিতৃ, তুমি যেনেকৈ মোত আৰু মই যেনেকৈ তোমাত, তেওঁবিলাকো তেনেকৈ যেন আমাত থাকে" (যোহন 17:21) এই শব্দবোৰে যীচুৰ গভীৰ আকাংক্ষাৰ লগতে শিষ্যবিলাকৰ লগতে এটা সম্প্ৰদায় হিচাপে মণ্ডলীৰ পৰিচয়ো প্ৰকাশ কৰে, অৰ্থাৎ ত্ৰিত্বৰ পৰা বৈ অহা আৰু ত্ৰিত্বৰ দ্বাৰা টিকিয়াই ৰখা এক মিলন। সকলো মানুহৰ মাজত ভ্ৰাতৃত্ববোধ আৰু সকলো সৃষ্টিৰ সৈতে সমন্বয়ৰ সেৱাত এক মিলন। খ্ৰীষ্টান হোৱাটো মূলতঃ অনুশীলন বা ধাৰণাবোৰৰ ওপৰত নহয়, ই হৈছে খ্ৰীষ্টৰ সৈতে একাত্ম জীৱন য'ত আমি পবিত্ৰ আত্মাত পিতৃত সৈতে তেওঁৰ পুত্ৰসুলভ সম্পৰ্কত ভাগ লওঁ। ইয়াৰ অৰ্থ হৈছে দ্ৰাক্ষাৰসৰ ডালৰ দৰে খ্ৰীষ্টত থকা (যোহন 15:4) আৰু ত্ৰিত্বৰ জীৱনত ডুব যোৱা। এই মিলনে বিশ্বাসীসকলৰ মাজত পাৰস্পৰিক মিলনৰ জন্ম দিয়ে। আৰু এইটোৱে হৈছে ধৰ্ম প্ৰচাৰ সেৱাৰ উৰ্ব্বৰতাৰ উৎস। "পাৰস্পৰিক মিলন হৈছে ধৰ্ম সেৱাৰ উৎস আৰু ফল" (সন্ত পিতাৰ আবাহন: *Christi fidelis Laici*, 32)

এই প্ৰসংগত, মণ্ডলীৰ প্ৰধান ধৰ্মসেৱা জড়িত দায়িত্ব হ'ল সদস্যসকলৰ মাজত আধ্যাত্মিক ভাতৃত্ববোধৰ ঐক্য নৱীকৃত কৰি বজাই ৰখা। বহু পৰিস্থিতিত আমি সংঘাত মেৰু বিভাজন, ভুল বুজা বুজি আৰু পাৰস্পৰিক অবিশ্বাসৰ সন্মুখীন হওঁ। যেতিয়া আমাৰ সম্প্ৰদায়ৰ ভিতৰতো এনেকুৱা হয়, তেতিয়া ই আমাৰ সাক্ষ্যক ক্ষতিগ্ৰস্ত কৰে। খ্ৰীষ্টই তেওঁৰ শিষ্যসকলৰ ওপৰত যি শুভবাৰ্তা প্ৰচাৰ অভিযানৰ দায়িত্ব অৰ্পণ কৰিছিল তাৰ বাবে সৰ্বোপৰি মিলন আৰু মিলনৰ আগ্ৰহী হৃদয়ৰ প্ৰয়োজন। ফলস্বৰূপে নিচিয়া আলোচনাৰ ১৭০০ বছৰীয়া জয়ন্তীৰ উমৈহতীয়া উৎসৱৰ পৰা উদ্ভৱ হোৱা সুযোগসমুহৰ ওপৰত ভিত্তি কৰি সকলো খ্ৰীষ্টভক্তৰ সৈতে বিশ্বজনীন প্ৰচেষ্টা তীব্ৰতৰ কৰাটো গুৰুত্বপূৰ্ণ হয়। অৱশেষত, "খ্ৰীষ্টত এক"হোৱাটোৰ অৰ্থ হৈছে যে আমাৰ দৃষ্টি প্ৰভুৰ ওপৰত নিবদ্ধ কৰি ৰখা যাতে তেওঁ সচাঁকৈয়ে আমাৰ জীৱন আৰু সম্প্ৰদায়ৰ কেন্দ্ৰত থাকে, আমাৰ প্ৰতিটো শব্দৰ, কাৰ্য্যৰ, ব্যক্তিগত সম্পৰ্কৰ মাজত থাকি আমাক আচৰিত ধৰণে কৰবলৈ বাধ্য কৰায় "এতিয়া মই জীৱিত হৈ থকা নাই, কিন্তু খ্ৰীষ্টহে মোৰ মাজত জীৱিত হৈ আছে।" (গালাতিয়া 2:20) তেওঁৰ বাক্য অহৰহ শুনি আৰু সংস্কাৰৰ অনুগ্ৰহৰ দ্বাৰা আমি মণ্ডলীৰ মাজত জীৱন্ত পাথৰলৈ পৰিৱৰ্তিত হ'ব পাৰিম।

আজি মণ্ডলীক দ্বিতীয় ভেটিকান মহাসভাৰ মৌলিক বিষয়বস্তু, সন্ত পিতাসকলৰ, বিশেষকৈ সন্তপিতা ফ্ৰান্সিচৰ শিক্ষাবোৰ গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে। সন্ত পৌলে কোৱাৰ দৰে "আমি নিজকে ঘোষণা নকৰোঁ আমি যীচু খ্ৰীষ্টকে প্ৰভু বুলি ঘোষণা কৰোঁ।" (2 কৰিন্থিয়া 4:5) এই কাৰণেই মই সন্ত পৌল ষষ্ঠৰ কথাবোৰ পুনৰাবৃত্তি কৰোঁ। নাচৰতীয়া যীচু, ঈশ্বৰৰ পুত্ৰৰ নাম, শিক্ষা প্ৰতিজ্ঞাবোৰ, ৰাজ্য আৰু ৰহস্য যদি ঘোষণা কৰা নহয় তেন্তে প্ৰকৃত শুভবাৰ্তা প্ৰচাৰ নহয়। (সন্ত পিতাৰ আহ্বান *Evangelii Nuntiandi*, 22) প্ৰকৃত শুভবাৰ্তা প্ৰচাৰৰ এই প্ৰক্ৰিয়াটো প্ৰতিজন খ্ৰীষ্টভক্তৰ হৃদয়ৰ পৰা আৰম্ভ কৰি সকলো মানৱজাতিৰ মাজলৈ বিয়পি যায়। গতিকে খ্ৰীষ্টত আমি যিমানেই একত্ৰিত হম সিমানেই তেওঁ আমাৰ ওপৰত ন্যাস্ত কৰা ধৰ্ম কাম একেলগে সম্পন্ন কৰিবলৈ আমি সক্ষম হ'ম।

**2) ধৰ্মৰ কামত আমি একত্ৰিত হ'ম যাতে জগতখনে প্ৰভু যীচুত বিশ্বাস কৰে।**

খ্ৰীষ্টভক্ত সকলৰ ঐক্য কেৱল এটা চৰম লক্ষ্য নহয়, এইটো আমাৰ ধৰ্ম দৌত্যলৈ আঙুলিয়াই দিয়ে। যীচু এই কথা স্পষ্টকৈ কৈছে "যাতে জগতে যেন বিশ্বাস কৰে যে তুমি মোক পঠাইছা। (যোহন 17:21) পুনৰমিলিত ভ্ৰাতৃত্ববোধৰ আৰু ঐক্যবদ্ধ সম্প্ৰদায়ৰ সাক্ষ্যৰ জৰিয়তেহে শুভবাৰ্ত্তাৰ ঘোষণাই সম্পূৰ্ণ যোগাযোগৰ ক্ষমতা লাভ কৰে।

এই দৃষ্টিকোনৰ পৰা 1916 চনত সন্তপিতাৰ ধৰ্মকৰ্মৰ সংস্থা প্ৰতিষ্ঠা কৰাৰ সময়ত তেওঁলোকক সন্ত পৌলো মান্নাৰ ব্যখ্যাহে প্ৰেৰণা যোগাইছিল যে "সকলো মণ্ডলীয়ে গোটেই পৃথিৱীৰ ধৰ্মান্তকৰণৰ ক্ষেত্ৰত একত্ৰিত"। সেই মন্ত্ৰ মতে পুৰোহিতসকল, সমৰ্পিত ব্যক্তি আৰু সাধাৰণ বিশ্বাসী সকলোৱে শুভবাৰ্ত্তাৰ প্ৰচাৰৰ ঐক্যক প্ৰসাৰিত কৰে। আচলতে কোনো দীক্ষিত ব্যক্তিয়ে ধৰ্মপ্ৰচাৰ দৌত্যৰ পৰা ৰেহাই পাব নোৱাৰে। প্ৰত্যেকেই নিজৰ নিজৰ বৃত্তি আৰু জীৱনৰ অৱস্থা অনুসৰি খ্ৰীষ্টই নিজৰ মণ্ডলীৰ ওপৰত ন্যাস্ত কৰা মহান কামত অংশ গ্ৰহণ কৰে। সন্তপিতা ফ্ৰান্সিচে বাৰে বাৰে আমাক সোঁৱৰাই দিয়াৰ দৰে শুভবাৰ্তা ঘোষণা কৰাটো সদায় সুগম, সাম্প্ৰদায়িক আৰু সমুদায়িক হোৱা এটা কাৰ্য্য।

এই কাৰণেই ধৰ্ম দৌত্যত ঐক্যৰ অৰ্থ হ'ল আনৰ লগত সংলগ্ন হৈ ধৰ্ম দৌত্যত একত্ৰিত হৈ আধ্যাত্মিকতাক ৰক্ষা আৰু লালন-পালন কৰা। এই মনোভাৱক দৈনিক লালন-পালন কৰি ঐশ্বৰিক অনুগ্ৰহে ক্ৰমান্বয়ে আমাক আমাৰ ভাতৃ-ভগ্নীসকলক বিশ্বাসৰ চকুৰে চাবলৈ শিকায়। আত্মাই প্ৰতিজন ব্যক্তিৰ মাজত আত্মাই প্ৰেৰণ দিয়া উত্তমতাক আনন্দেৰে চিনি পাবলৈ শিকোঁ, বৈচিত্ৰ্যক এটা সম্পদ হিচাপে গ্ৰহণ কৰি ওপৰৰ পৰা অহা ঐক্য বিচাৰিবলৈ শিকোঁ। সচাঁকৈয়ে আমি সকলোৱে "এজন প্ৰভু, এক বিশ্বাস, এক দীক্ষাস্নান, সকলোৰে পিতৃ আৰু ঈশ্বৰ, যিজন সকলোৰে ওপৰত, সকলোৰে জৰিয়তে আৰু সকলোৰে মাজতে আছে সেইজন ঈশ্বৰৰ ধৰ্মদৌত্যত আমি অংশ গ্ৰহণ কৰোঁ (ইফীচিয়া 4:5-6) এই আধ্যাত্মিকতাই ধৰ্ম প্ৰচাৰ দৌত্যৰ দৈনন্দিন প্ৰকাশ গঠন কৰে। ই আমাক মণ্ডলীৰ শুভবাৰ্তা প্ৰচাৰ অভিযানৰ এক সাৰ্বজনীন দৃষ্টিভংগী পুনৰুদ্ধাৰ কৰাত সহায় কৰে আৰু এজন প্ৰভুৰ অনুগামীসকলৰ মাজত "মই পৌলৰ" "মই আপল্লোৰ দলৰ" তেনে দল ভেদ দূৰ হৈ থাকক (1 কৰিন্থিয়া 1:10-12) কোৱা বাহুল্য যে ধৰ্মদৌত্যক একাকাৰতা হিচাপে বুজিব নেলাগে, বৰঞ্চ একে উদ্দেশ্যৰ বাবে বিভিন্ন ক্ষমতাৰ অভিসৰণ হিচাপেহে বুজিব লাগে। অৰ্থাৎ খ্ৰীষ্টৰ প্ৰেমক দৃশ্যমান কৰি তোলা আৰু সকলোকে তেওঁৰ সন্মুখীন হ'বলৈ আমন্ত্ৰণ জনোৱা। স্থানীয় সম্প্ৰদায় সমূহে ইজনে সিজনৰ লগত সহযোগিতা আগবঢ়ালে আৰু সাংস্কৃতিক, আধ্যাত্মিক আৰু প্ৰাৰ্থনাৰ ৰীতি-নীতিৰ পাৰ্থক্যসমূহ একে বিশ্বাসতে সু-সমতাপূৰ্ণভাৱে প্ৰকাশ কৰিলে শুভবাৰ্তা প্ৰচাৰ সম্ভৱ হয়। সেয়েহে মই মণ্ডলীৰ সকলো প্ৰতিষ্ঠানকে মণ্ডলীৰ ধৰ্মদৌত্য ভাৱনাক শক্তিশালী কৰিবলৈ আৰু ধৰ্মপ্ৰচাৰৰ বাবে আৰু ধৰ্মপ্ৰচাৰত ইজনে সিজনৰ সৈতে সহযোগিতা কৰাৰ সৃষ্টিশীল আৰু সুনিৰ্দিষ্ট উপায় বিকাশিত কৰিবলৈ উৎসাহিত কৰিছোঁ।

এই সন্দৰ্ভত মই সন্তপিতাৰ ঔদ্যোগিক সংস্থাসমূহক ধৰ্মপ্ৰচাৰ দৌত্যত সহযোগিতা কৰি আগবঢ়োৱা সেৱাৰ কাৰণে ধন্যবাদ জনাইছোঁ, যিটো পেৰুত মোৰ সেৱাৰ সময়ত কৃতজ্ঞতাৰে অনুভৱ কৰিছিলোঁ। বিশ্বাসৰ প্ৰসাৰ, পৱিত্ৰ শৈশৱ, পাচনি সন্তপিতৰ, সন্ত পিতাৰ ধৰ্মপ্ৰচাৰ সংস্থা, এইবোৰ সংস্থাই সকলো বয়সৰ বিশ্বাসীসকলৰ বাবে ধৰ্ম পৰিবৰ্তনৰ সজাগতাক লালন-পালন আৰু গঠন কৰি আহিছে আৰু সমগ্ৰ বিশ্বৰ সম্প্ৰদায় সমূহক সংযোগ কৰা প্ৰাৰ্থনা আৰু দৌত্যৰ মিলন প্ৰসাৰিত কৰিছে। ইয়াত মন কৰিবলগীয়া যে ধৰ্ম বিশ্বাসৰ (Propagation of faith) প্ৰসাৰ সংস্থাৰ প্ৰতিষ্ঠাপক ধন্য পউলীন মাৰি জাৰিকোটে দুশ বছৰ পূৰ্বে জীৱন্ত জপমালা প্ৰৱৰ্তন কৰিছিল।

আজিও সেইটো সমগ্ৰ বিশ্বৰ বহুতো বিশ্বাসীক একত্ৰিত কৰি প্ৰতিটো আধ্যাত্মিক আৰু ধৰ্ম দৌত্যৰ প্ৰয়োজনৰ বাবে প্ৰাৰ্থনা কৰি আহিছে। এইটোৱো মনত ৰখা ভাল যে বিশ্বাসৰ সংস্থাৰ আহ্বান ক্ৰমে সন্তপিতা একাদশ পিয়ুচৰ প্ৰস্তাৱ মতে 1926 চনত বিশ্ব ধৰ্ম দৌত্য দিৱস স্থাপন কৰে। এই দিনটোত সংগ্ৰহ কৰা বাৰ্ষিক অৱদান সমূহ এই সংস্থাই সন্তপিতাৰ নামত মণ্ডলীৰ বিভিন্ন প্ৰয়োজনীয়তাক সমৰ্থন কৰিবলৈ বিতৰণ কৰে। সেয়েহে এই চাৰিখন সমাজে একেলগে আৰু প্ৰত্যেকেই নিজৰ নিজৰ নিৰ্দিষ্টতাত এতিয়াও সমগ্ৰ মণ্ডলীৰ বাবে এক মূল্যৱান ভূমিকা পালন কৰে। এইটো মণ্ডলীৰ ঐক্যৰ জীৱন্ত চিহ্ন আৰু মণ্ডলীৰ ধৰ্ম দৌত্যৰ মিলন প্ৰীতি। কৃতজ্ঞতাৰে সৈতে তেওঁলোকৰ লগত কাম কৰিবলৈ মই সকলোকে আমন্ত্ৰণ জনাইছোঁ।

**3) প্ৰেমৰ দৌত্যটো হ'ল- ঘোষণা কৰা, জীৱন্ত কৰা আৰু ঈশ্বৰৰ বিশ্বাসী প্ৰেমত অংশ গ্ৰহণ কৰা।**

যদি ঐক্যই ধৰ্ম প্ৰচাৰৰ চৰ্ত, প্ৰেম ইয়াৰ মূল। আমাক জগতত ঘোষণা কৰিবলৈ পঠোৱা শুভবাৰ্তা কোনো বিমূৰ্ত আদৰ্শ নহয়। ই হৈছে ঈশ্বৰৰ বিশ্বাসী প্ৰেমৰ শুভবাৰ্তা, যি যীচুখ্ৰীষ্টৰ মুখ আৰু জীৱনত মাংস, হৈ পৰিল। শিষ্যসকল আৰু সমুদায় মণ্ডলীৰ ধৰ্ম দৌত্য হৈছে পৱিত্ৰ আত্মাত খ্ৰীষ্টৰ দৌত্য অব্যাহত ৰখা: প্ৰেমৰ পৰা জন্ম হোৱা, প্ৰেমত জীৱন্ত হৈ আৰু প্ৰেমলৈ চলি থকাৰ দৌত্য। আচলতে প্ৰভুৱে নিজেই তেওঁৰ যন্ত্ৰণাৰ পূৰ্বে পিতৃৰ ওচৰত কৰা মহান প্ৰাৰ্থনাত তেওঁৰ শিষ্যসকলৰ মাজত ঐক্যৰ আহ্বান কৰাৰ পিছত এই সিদ্ধান্তত উপনীত হৈছে : তুমি যি প্ৰেমেৰে মোক প্ৰেম কৰিলা, সেই প্ৰেম যেন তেওঁলোকত থাকে আৰু ময়ো যেন তেওলোকত থাকোঁ।" (যোহন 17:26) খ্ৰীষ্টৰ প্ৰেমৰ দ্বাৰা প্ৰেৰিত হৈ পাচনিসকলে তাৰ পিছত খ্ৰীষ্টৰ বাবে শুভবাৰ্তা প্ৰচাৰ কৰিবলৈ ওলাই গ'ল। (১কৰিন্থিয়া 5:14) একেদৰেই শতিকাজুৰি অসংখ্যা খ্ৰীষ্টভক্ত, যেনে শ্বহীদ, সাধাৰণ ধৰ্মাৱলম্বী আৰু ধৰ্মপ্ৰচাৰক, এই ঐশ্বৰিক প্ৰেমক জগতৰ আগত প্ৰকাশ কৰিবলৈ নিজৰ জীৱন দি আহিছে। একেদৰে প্ৰেমৰ আত্মা পৱিত্ৰ আত্মাৰ দ্বাৰা পৰিচালিত হৈ মণ্ডলীৰ শুভবাৰ্ত্তা প্ৰচাৰৰ দৌত্য কালৰ শেষলৈকে চলি থাকিব।

আজিৰ বিশ্বজুৰি প্ৰৱৰ্তন কৰা ধৰ্ম কৰ্মীসকলৰ প্ৰতি মোৰ বিশেষ কৃতজ্ঞকা জ্ঞাপন কৰিলোঁ। সন্ত ফ্ৰান্সিচ জেভিয়াৰৰ দৰেই, তেওঁলোকেও শুভবাৰ্ত্তা ঘোষণা কৰি খ্ৰীষ্ট আৰু তেওঁৰ প্ৰেমক প্ৰায়ে প্ৰত্যাহ্বানমূলক দৰিদ্ৰ, সংঘাতপূৰ্ণ বা সংস্কৃতিকভাৱে দূৰৈৰ ঠাইলৈ আনিবলৈ নিজৰ গৃহভূমি, পৰিয়াল আৰু সকলো নিৰাপত্তাৰ অনুভূতি এৰি থৈ গৈছে। প্ৰতিকূলতা আৰু মানুহৰ সীমাবদ্ধতাৰ মাজতো তেওঁলোকে নিজকে আনন্দেৰে দি থাকে, কাৰণ তেওঁলোকে জানে যে স্বয়ং খ্ৰীষ্ট আৰু তেওঁৰ শুভবাৰ্ত্তা হয় আমি আগবঢ়াব পৰা আটাইতকৈ ডাঙৰ ধন। তেওঁলোকৰ অধ্যৱসায়ৰ দ্বাৰা তেওঁলোকে প্ৰমাণ কৰে যে ঈশ্বৰৰ প্ৰেমে সকলো বিঘিনিক অতিক্ৰম কৰে। পৃথিৱীত এতিয়াও খ্ৰীষ্টৰ তেনে সাক্ষীসকলৰ প্ৰয়োজন, আৰু মণ্ডলীৰ সম্প্ৰদায়সমূহক এতিয়াও নতুন ধাৰ্মিক বৃত্তিৰ প্ৰয়োজন। আমি তেওঁলোকক সদায় আমাৰ হৃদয়ৰ ওচৰত ৰাখিব লাগিব আৰু তেওঁলোকৰ বাবে পিতৃৰ ওচৰত অহৰহ প্ৰাৰ্থনা কৰিব লাগিব। তেওঁ আমাক তেনে যুৱক-যুৱতী আৰু প্ৰাপ্তবয়স্কসকলৰ উপহাৰ প্ৰদান কৰক যিসকলে সকলো ত্যাগ কৰি খ্ৰীষ্টক অনুসৰণ কৰিবলৈ আনকি পৃথিৱীৰ শেষলৈকেও শুভবাৰ্তাৰ প্ৰচাৰৰ পথত অগ্ৰগতি কৰিবলৈ ইচ্ছুক।

পুৰুষ আৰু মহিলা ধৰ্মপ্ৰবৰ্তকসকলৰ প্ৰতি প্ৰশংসাৰে ভৰপূৰ হৈ মই সমগ্ৰ মণ্ডলীক বিশেষ আহ্বান জনাইছোঁ যেন তেওঁলোকে খ্ৰীষ্টত আমাৰ সাক্ষ্যৰ জৰিয়তে, প্ৰাৰ্থনাৰ জৰিয়তে আৰু শুভবাৰ্ত্তা প্ৰচাৰৰ বাবে আমাৰ অৱদানৰ জৰিয়তে শুভবাৰ্ত্তা প্ৰচাৰৰ কামত যোগদান কৰে। আছিছিৰ সন্ত ফ্ৰান্সিচে উনুকিয়া মতে "প্ৰেমক প্ৰেম কৰা নহয়" (ঈশ্বৰক প্ৰেম কৰা নহয়) তেওঁৰ মৃত্যুৰ ৮০০তম বাৰ্ষিকীত আমি তেওঁলৈ বিশেষ নজৰ ৰাখিছোঁ। আহক আমি তেওঁৰ প্ৰেমত জীয়াই থকাৰ ইচ্ছাত প্ৰেৰণা বিচাৰি পাওঁ আৰু ইয়াক ওচৰৰ আৰু দূৰৈৰ লোকলৈ প্ৰেৰণ কৰোঁহক, কাৰণ তেওঁ কোৱাৰ দৰে "আমাক বহুত ভাল পোৱা এই প্ৰেমক বহুত প্ৰেম কৰিবলগীয়া আছে।" (Saint Bonaventure of Bagnoregio, 'The Life of St. Francis, Chapter IX, 1, Fonti Francescane 1161). শিশু যীচুৰ সন্ত থেৰেচাৰ উদ্যমৰ পৰাও প্ৰেৰণা লওঁ আহক, যিয়ে ঘোষণা কৰিছিল যে তেওঁ মৃত্যুৰ পিছতো নিজৰ দৌত্য অব্যাহত ৰাখিব: "মই স্বৰ্গতো সেই একে কামেই কামনা কৰিম, যিদৰে মই এতিয়া পৃথিৱীত কৰিছোঁ: যীচুক প্ৰেম কৰা আৰু তেওঁক প্ৰেম কৰিবলৈ দিয়া।" (চিঠি 220, to L'Abbe Belliere, 24 February 1897)

এই সাক্ষ্যসমূহৰ পৰা অনুপ্ৰাণিত হৈ আহক আমি সকলোৱে নিজৰ ধৰ্ম বৃত্তি আৰু আমি লাভ কৰা উপহাৰ অনুসৰি শুভবাৰ্তা প্ৰচাৰৰ মহান দৌত্যত অৰিহণা যোগাবলৈ প্ৰতিশ্ৰুতি দিওঁ যিটো সদায়ে প্ৰেমৰ কাম হয়। বিশেষকৈ বিশ্ব ধৰ্ম দৌত্য দিৱসত আপোনালোকৰ প্ৰাৰ্থনা আৰু ব্যৱহাৰিক সমৰ্থনে সকলোৰে ওচৰলৈ বিশেষকৈ আটাইতকৈ দৰিদ্ৰ আৰু অতি আৰ্তজনৰ ওচৰলৈ ঈশ্বৰৰ শুভবাৰ্তা কঢ়িয়াই অনাত এক বৃহৎ সহায়ক হ'ব। প্ৰত্যেকটো উপহাৰ যিমানেই সৰু নহওক কিয়, ধৰ্মপ্ৰচাৰৰ মিলন কামৰ এক অৰ্থপূৰ্ণ খোজ হ'ব। মই মোৰ আন্তৰিক কৃতজ্ঞতা নৱীকৃত কৰিছোঁ- "সমগ্ৰ বিশ্বৰ ধৰ্মপ্ৰচাৰক সকলক সহায় কৰিবলৈ আপোনালোকে মোক যি সহায় আগবঢ়াইছে। (বিশ্ব ধৰ্মপ্ৰচাৰ দিৱস 2025 ৰ বাবে ভিডিঅ বাৰ্তা, 19 October 2025) আধ্যাত্মিক দৌত্য অগ্ৰসৰ কৰিবলৈ, মই আপোনালোকক এই সৰল প্ৰাৰ্থনাৰে আশীৰ্বাদ দিছোঁ।

হে পৱিত্ৰ পিতৃ, আমাক খ্ৰীষ্টত এক কৰা, তেওঁৰ প্ৰেমত শিপাই থকা যিয়ে একত্ৰিত আৰু নৱীকৃত কৰে। মণ্ডলীৰ সকলো সদস্যই ধৰ্মদৌত্যত একত্ৰিত হওক, পৱিত্ৰ আত্মাৰ প্ৰতি বশীভূত হওক, শুভবাৰ্তাৰ সাক্ষ্য দিবলৈ সাহসী হওক, সকলো জীৱৰ প্ৰতি তোমাৰ বিশ্বাসী প্ৰেম ঘোষণা কৰি দৈনন্দিন মূৰ্ত হওক ধৰ্ম প্ৰচাৰ কৰা সকলো পুৰুষ মহিলাক আশীৰ্বাদ কৰা, তেওঁলোকৰ প্ৰচেষ্টাত তেওঁলোকক সমৰ্থন কৰা আৰু আশাৰে তেওঁলোকৰ ওপৰত যত্ন লোৱা।

ধৰ্মপ্ৰচাৰৰ ৰাণী মৰিয়ম পৃথিৱীৰ প্ৰতিটো কোণত আমাৰ শুভবাৰ্তা প্ৰচাৰৰ কামৰ সহযাত্ৰী হোৱা। আমাক শান্তিৰ আহিলা কৰি লোৱা আৰু সমগ্ৰ জগতখনক খ্ৰীষ্টক পৰিত্ৰাণ দিয়া পোহৰ বুলি চিনিবলৈ দিয়া। আমেন।

ভেটিকানৰ পৰা, 25 জানুৱাৰী 2026, সাধাৰণ সময়ৰ তৃতীয় দেওবাৰ, সন্ত পৌলৰ ধৰ্মান্তকৰণৰ উৎসৱ।

সন্ত পিতা চতুৰ্দশ লিঅ